অসম

মোদীয়ে মোৰ ফোন টেপ কৰাইছে: ৰাহুল গান্ধী

প্রধানমন্ত্রী নৰেন্দ্র মোদীয়ে তেওঁৰ ফোন টেপ কৰাইছে বুলি অভিযোগ উত্থাপন কৰি মুখামুখি ৰাজহুৱা বিতর্কৰ প্রত্যাহ্বান জনাইছে ৰাহুল গান্ধীয়ে।

প্রকাশ: ১৩ নৱেম্বৰ ২০২৬, দুপৰীয়া ৩:২৫ আপডেট: ১৩ নৱেম্বৰ ২০২৬, দুপৰীয়া ৩:৩৭



Rahul Gandhi alleges phone tapping, (social media)

নতুন দিল্লী, ১৩ নৱেম্বৰ: প্রধানমন্ত্রী নৰেন্দ্র মোদীৰ বিৰুদ্ধে ফোন টেপিঙৰ অভিযোগ উত্থাপন কৰিছে লোকসভাৰ বিৰোধী দলপতি তথা কংগ্রেছ নেতা ৰাহুল গান্ধীয়ে। শুকুৰবাৰে ইনষ্টাগ্রামৰ এক প্রশ্নোত্তৰ অনুষ্ঠানত তেওঁ এই দাবী কৰে।

> “মোৰ সকলো অভিযোগৰ প্রমাণ মোৰ ফোনত আছে। প্রধানমন্ত্রীয়ে জানে, কাৰণ তেওঁ মোৰ ফোন টেপ কৰাইছে।”

ইয়াৰ লগতে প্রধানমন্ত্রী নৰেন্দ্র মোদীক মুখামুখি ৰাজহুৱা বিতর্কৰ বাবে পুনৰ প্রত্যাহ্বান জনায় কংগ্রেছ নেতাগৰাকীয়ে। এনে বিতর্ক হ'লে কোনে বিদেশী শক্তিৰ নির্দেশত কাম কৰিছে আৰু কোন দেশবিৰোধী কার্যকলাপৰ সৈতে জড়িত, সেয়া স্পষ্ট হ'ব বুলি তেওঁ কয়।

সংসদত কৃষি আইন, ভোট চুৰি, বিশেষ সংশোধন (এছআইআৰ), চীন আৰু জেনেৰেল এম এম নাৰাৰাণেৰ

গ্ৰন্থকে ধৰি কেইবাটাও বিষয়ত তেওঁক কথা ক'বলৈ দিয়া হোৱা নাই বুলিও অভিযোগ কৰে ৰাহুল গান্ধীয়ে। সংসদত দীঘলীয়া ভাষণ দিয়াৰ পৰিৱর্তে প্রধানমন্ত্রীৰ সৈতে পোনপটীয়া বিতর্ক বিচাৰে বুলি তেওঁ জনায়।

আনহাতে, বিজেপি নেতাসকলে সংসদকেই বিতর্কৰ উপযুক্ত মঞ্চ বুলি উল্লেখ কৰি আহিছে। কেন্দ্রীয় বিত্তমন্ত্রী নির্মলা সীতাৰমণেও ৰাহুল গান্ধীৰ বিতর্কৰ প্রত্যাহ্বান সন্দর্ভত প্রতিক্রিয়া প্রকাশ কৰিছে।

এই খবৰটো NewzNow-ত প্রথমে প্রকাশ হৈছিল। সম্পূর্ণ খবৰ, ভিডিঅ' আৰু আপডেটৰ বাবে চাওক:
newznow.in/news/2679/rahul-gandhi-modi-phone-tapping-debate